# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## সোমবাৰ, ২৮ ডিচেম্বৰ, ২০২০

গৃহ, ৰাজনৈতিক, কৰ্মচাৰী, সাধাৰণ প্ৰশাসন, সচিবালয় প্ৰশাসন, অসম চুক্তি ৰূপায়ণ, প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ, নিৰ্বাচন, তথ্য আৰু জনসংযোগ, সীমান্ত অঞ্চল উন্নয়ন, ক্ৰীড়া আৰু যুৱ কল্যাণ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পৰ্য্যটন, ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীসমূহৰ কল্যাণ, জলসিঞ্চন (স্বতন্ত্ৰ দায়িত্ব) আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত বিশেষভাৱে ন্যস্ত নকৰা আন যিকোনো বিভাগসমূহ।

---

প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ১৮

*বিষয় ঃ* **বিপ্লৱ শৰ্মা কমিটীৰ প্ৰতিবেদন**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

১। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ সম্পৰ্কত ন্যায়াধীশ বিপ্লৱ শৰ্মা কমিটীয়ে দাখিল কৰা প্ৰতিবেদনৰ বৰ্তমান স্থিতি কি?

(খ) বিগত ছেপ্টেম্বৰ মাহত মাননীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰী ডাঙৰীয়াৰ লগত হোৱা আলোচনাৰ পিছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে উক্ত প্ৰতিবেদনখন ন্যায়জ্ঞৰ দ্বাৰা পৰীক্ষা কৰাই তাক কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব। বিগত প্ৰায় তিনি মাহে প্ৰতিবেদনখন পৰীক্ষা কৰিবলৈ আইনজ্ঞ কমিটী গঠন কৰা হ'ল নে নাই? যদি গঠন কৰা নাই, তাৰ কাৰণ জনাব।

*বিষয় ঃ* **ক্ষয়-ক্ষতিৰ মেৰামতি**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

২। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰাস্তা-ঘাট মেৰামতি, নদীৰ গৰাখহনীয়া আদি ৰোধৰ বাবে বিভাগে কিমান টকা ধাৰ্য কৰিছে?

(সমষ্টি ভিত্তিক আঁচনিসমূহৰ নাম আৰু ধনৰ পৰিমাণ জনাব)

(খ) বিগত বানত ক্ষতিগ্ৰস্ত ৰাস্তা-ঘাটৰ মেৰামতি, নদীৰ গৰাখহনীয়া, বানৰ কবলত পৰা জনসাধাৰণক ক্ষতিপূৰণ আদি দিয়াৰ নামত বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান টকা লাভ কৰিছে?

(বিতং তথ্য দিব)

(গ) বিগত বানত সৰুক্ষেত্ৰী সমষ্টিৰ কিমানটা ৰাস্তা, কিমানটা পুখুৰী, কিমান হেক্টৰ কৃষিভূমি আদি ক্ষতিগ্ৰস্ত হৈছে? আনহাতে এই সমষ্টিৰ মাজেৰে বৈ যোৱা বিভিন্ন নদীয়ে কোন কোন ঠাইত খহনীয়াৰ সৃষ্টি কৰিছিল?

(ৰাস্তা-ঘাটৰ নামসহ বিতং তথ্য দিব)

*বিষয় ঃ* **অগ্নিকাণ্ডৰ ক্ষতিপূৰণ**

শ্ৰীআমিনুল ইছলাম ঃ

৩। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৫ বছৰত নগাঁও জিলাৰ জুৰীয়া, ধিং আৰু মৰিগাঁও জিলাৰ মৈৰাবাৰী, লাহৰীঘাট আৰু ভেলুগুৰি থানা এলেকাত কোন কোন পৰিয়ালৰ কিমানটা ঘৰ অগ্নিকাণ্ডত জাহ গৈছিল? তাৰ ভিতৰত কোন কোন পৰিয়ালক কিমান টকা ক্ষতিপূৰণ দিয়া হৈছিল?

(খ) যদি ক্ষতিপূৰণ দিয়া হোৱা নাই, কিয়? কেতিয়া তেওঁলোকক ক্ষতিপূৰণ দিয়া হ'ব?

(গ) উপৰোক্ত সময়ছোৱাত উক্ত থানা এলেকাসমূহত কোন কোন লোক দুৰ্ঘটনাত নিহত হৈছিল? তাৰ ভিতৰত কোনে কিমান টকাৰ ক্ষতিপূৰণ পালে আৰু বাকী পৰিয়ালসমূহে কেতিয়া ক্ষতিপূৰণ লাভ কৰিব?

*Sub.* : **Upgradation of police OPs, creation of/new OP etc.**

Shri SHERMAN ALI AHMED :

4. Will the Minister of Home be pleased to state :

(a) In view of reply to Un-Starred Q. No. 171 dated 12/02/2018, Un-starred Q. No. 247 dated 01/10/2018, Starred Q. No. 226 dated 25/02/2019, Un-starred Q. No. 120 dated 30/11/2019, Starred Q. No. 14 dated 02/03/2020 etc. what is the present status of :

(i) Upgradation of Mandia and Moinbari Out Posts into full-fledged police stations ?

(ii) Sanction of new police Out Post at Chaysimana Bazar (Baghbar LAC).

(iii) Re-organisation of villages under Alopati, Baghbar and Kalgachia P S ?

(b) Even after a lapse of 4 years, why the same has not been done ? What are the causes of such inordinate delay ?

(c) When shall the same be done ? Please furnish details.

*বিষয় ঃ* **বনৰক্ষীৰ গুলীত নিহতৰ পৰিয়াল**

মোঃ নুৰুল হুদা ঃ

৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ জুৰীয়া থানা এলেকাৰ কঁঠালগুটি গাঁৱৰ সংলগ্ন মথাউৰিত যোৱা ১৯/০৯/১৭ তাৰিখে বনৰক্ষীৰ গুলীত মৃত্যু হোৱা মনিৰুদ্দিনৰ পত্নী হাফিজা খাতুনৰ জুৰিয়া থানাত দাখিল কৰা গোচৰ নং 468/2017 u/s 302/34 অনুসন্ধান সম্পূৰ্ণ হৈছেনে? যদি হৈছে, অনুসন্ধানৰ প্ৰতিবেদন সদনত দাখিল কৰিব আৰু যদি হোৱা নাই, কিয় হোৱা নাই, তাৰ কাৰণ তথ্য সহকাৰে সদনত দাখিল কৰিব।

(খ) ভুক্তভোগী পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী মনিৰুদ্দিনৰ হত্যাৰ পিছত পৰিয়ালটো সম্পূৰ্ণ অসহায় অৱস্থাত থকাত নগাঁও জিলা উপায়ুক্তক আৰ্থিক সাহায্য বিচাৰি আবেদন জনোৱাৰ পিছত ভুক্তভোগী পৰিয়ালক আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰা হৈছেনে? যদি হোৱা নাই, কিহৰ কাৰণে অসহায় পৰিয়ালটোক বঞ্চিত কৰা হৈ আছে, তথ্য সহকাৰে সদনত দাখিল কৰিব।

*বিষয় ঃ* **অসম চুক্তি অনুযায়ী বিদেশীৰ চিনাক্তকৰণ আৰু বহিষ্কৰণ সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

৬। মাননীয় অসম চুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি অনুযায়ী ৰাজ্যখনত অবৈধভাৱে থকা কিমান বিদেশীক বৰ্তমানলৈকে চিনাক্তকৰণ আৰু বহিষ্কৰণ কৰা হ'ল জনাব।

(খ) অসম-বাংলাদেশ সীমান্তৰ কাঁটা তাঁৰৰ বেৰৰ কাম বৰ্তমান কিমান শতাংশ সম্পূৰ্ণ হ'ল আৰু কিমান শতাংশ সম্পূৰ্ণ হ'বলৈ এতিয়াও বাকী আছে জনাব।

(গ) অসম-বাংলাদেশ সীমান্তৰ কাঁটা তাঁৰৰ বেৰৰ কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি?

(ঘ) অসম চুক্তিৰ ৬ নং দফাটো বৰ্তমান কি পৰ্য্যায়ত আছে জনাবনে? এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰীবিপ্লৱ শৰ্মাৰ নেতৃত্বত গঠন কৰি দিয়া কমিটীয়ে দাখিল কৰা প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'লনে? বৰ্তমান এই প্ৰতিবেদনখন কি পৰ্য্যায়ত আছে জনাবনে?

*বিষয় ঃ* **জনশিমলু ননকে গাঁও**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত ২০১৭ চনৰ নৱেম্বৰ মাহত আমচাঙৰ জনশিমলু ননকে গাঁৱত চৰকাৰে উচ্ছেদ কাৰ্য্য চলোৱাৰ পৰৱৰ্তী সময়ত, মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত গাঁওখন আমচাং সংৰক্ষিত বনাঞ্চলৰ অংশ নহয় আৰু এইখন এখন ৰাজহ গাঁও বুলি প্ৰতিপন্ন হৈছিল। উচ্ছেদ কাৰ্য্যৰ সময়ত কৰ্তন কৰা বিদ্যুৎ সংযোগ পুনঃসংস্থাপন কৰা হ'ল নে নাই?

(খ) উচ্ছেদৰ সময়ত বিদ্যালয় গৃহ, বাসগৃহ আদি ধ্বংস কৰা হৈছিল। তাৰ বাবে চৰকাৰে ক্ষতিগ্ৰস্ত বাসিন্দাসকলক ক্ষতিপূৰণ আদায় দিছে নে নাই? বিতং তথ্য দাখিল কৰিব।

(গ) যদি ক্ষতিপূৰণ প্ৰদান কৰা নাই, তেনেহ'লে তাৰ কাৰণ জনাব।

*Sub.* : **Lakhipur Sub-Division**

Shri ABDUR RASHID MANDAL :

8. Will the Minister of GAD be pleased to state :

(a) Whether the Government is aware of the announcement of the Lakhipur Sub-Division in Goalpara district and ceremonial inauguration of the same by the Hon'ble Minister of the previous Government or not ? If yes, then why is the Lakhipur Sub-Division not functioning till now ?

(b) Will the Government take necessary steps for functioning of the Lakhipur Sub-Division during the tenure of the present Government ?

*বিষয় ঃ* **রাজ্যে সিণ্ডিক্যাটের রমরমা**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

৯। মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন ঃ

(ক) রাজ্যে কয়লা, সুপারি, পুস্ত ইত্যাদি কোন কোন দ্রব্যের সিণ্ডিক্যাট সম্পর্কে সরকার অবগত ?

(খ) রাজ্যে কয়লা, সুপারি, পুস্ত ইত্যাদি কেলেঙ্কারির সিণ্ডিক্যাটে কারা কারা জড়িত? এদের বিরুদ্ধে বিগত তিন বছরে সরকার কি কি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ করেছে?

(গ) এই সরকার দায়িত্ব নেওয়ার আগের ৫ বছরে কয়লা, সুপারি ও পুস্তর রপ্তানি থেকে রাজ্যে সরকার কত কত টাকা রাজস্ব পেয়েছে? তুলনামূলক পরিসংখ্যান সদনে উপস্থাপন করার নিবেদন জানাই ?

(ঘ) বরাকের কয়লা কেলেঙ্কারি নিয়ে সি বি আই তদন্ত হয়েছি কি ? যদি হয়ে থাকে, তবে এর রিপোর্ট সদনে পেশ করার আর্জি জানাই।

(ঙ) বরাকের জনপ্রতিনিধি ও বিধায়করা কয়লা রপ্তানি গাড়ি থেকে বে আইনীভাবে তোলা আদায়ের অভিযোগ বার বার উঠে আসা সত্বেও রাজ্য সরকারের পক্ষ থেকে এখন পর্য্যন্ত যথাযোগ্য পদক্ষেপ গ্রহণ করা হয়েছে কি ?

(চ) বরাকে কয়লা সিণ্ডিক্যাটের কেলেঙ্কারি বন্ধ হয়েছে কি ?

(ছ) করিমগঞ্জসহ রাজ্যের বিভিন্ন গ্রামাঞ্চলের অনেক নাগরিক যে ইন্দো-বাংলা সীমানার কাটা তারের বাইরে রয়েছেন এই ব্যাপারে সরকার অবগত কি ? যদি অবগত থাকেন, তবে কাটা তারের সীমানা পুনঃ নির্ধারণ করে তাদেরকে কাটা তারের ভেতৰে নিয়ে আসার জন্য সরকারের কি কোনো অভিপ্রায় রয়েছে? বিস্তারিত সদনে জানাবেন।

*বিষয় ঃ* **নতুন ৰাজহ চক্ৰ প্ৰতিষ্ঠা**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

১০। মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত নতুনকৈ ৰাজহ চক্ৰৰ কাৰ্যালয় স্থাপন কৰিবনে ?

(খ) অসমৰ ক'ক ক'ত ৰাজহ চক্ৰ স্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে?

(নামসহ বিতং তথ্য দিব)

(গ) সৰুক্ষেত্ৰী সমষ্টিত নতুনকৈ ৰাজহ চক্ৰ স্থাপন সম্পৰ্কে উত্থাপন হোৱা দাবীৰ বিষয়ে বিভাগ অৱগতনে ? যদি অৱগত, এই নতুন ৰাজহ চক্ৰ স্থাপন প্ৰক্ৰিয়া কিমানদূৰ আগবাঢ়িছে?

*বিষয় ঃ* **ক্ৰীড়া সামগ্ৰী**

শ্ৰীআমিনুল ইছলাম ঃ

১১। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ক্ৰীড়া আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে বিগত ৫ বছৰত কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

(খ) বিগত ৩ বছৰত প্ৰতিটো সমষ্টিত কিমান আৰু কি কি ক্ৰীড়া সামগ্ৰী যোগান ধৰা হৈছে?

*Sub.* : **Rehabilitation grant**

Shri SHERMAN ALI AHMED :

12. Will the Minister of Revenue & Disaster Management be pleased to state :

(a) How many families of Baghbar LAC are affected by flood since 2015 ? For how many of them rehabilitation-grants have been sanctioned ? Please furnish year-wise details of families along with rehabilitation grant ?

(b) How many families of Baghbar LAC are affected by erosion ? Please furnish year-wise details since 2015.

(c) In view of erosion being notified as a state specific disaster and the provision in SDRF/NDRF guidelines for assistance upto 10% of SDRF fund for state specific disaster, how many families of Baghbar LAC affected by erosion are provided with rehabilitation-grant since 2015 ? Please furnish year-wise details with rehabilitation-grant sanctioned for each family.

(d) In view of "Chief Minister's special scheme for rehabilitation of erosion affected families in Assam", what is the annual budget provisions made so far since 2015 ? How many families in the state are rehabilitated so far under this scheme since 2015 ?

(Please Furnish district-wise details)

*বিষয় ঃ* **পুঁজি আবণ্টন তথা কামৰ খতিয়ান**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

১৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২০-২০২১ বৰ্ষৰ বাজেটত জলসিঞ্চন বিভাগৰ বাবে কিমান পুঁজি আবণ্টন কৰা হৈছিল?

(খ) ১ ডিচেম্বৰ ২০২০ তাৰিখ পৰ্যন্ত কিমান পুঁজি বিভাগটোৰ অধীনত বিভিন্ন আঁচনি ৰূপায়ণৰ বাবে মোকলাই দিয়া হ'ল?

(গ) ১ ডিচেম্বৰ ২০২০ তাৰিখ পৰ্যন্ত মোকলাই দিয়া পুঁজিৰ কিমান পৰিমাণ প্ৰকৃততে খৰচ কৰা হ'ল?

(ঘ) ইতিমধ্যে খৰচ কৰা পুঁজিৰ দ্বাৰা কিমান শতাংশ কাম সম্পন্ন কৰা হ'ল আৰু কামৰ অগ্ৰগতিৰ শতাংশৰ জিলা ভিত্তিক তথ্য দাখিল কৰিব।

*Sub.* : **Indo-Bangla Border and inter State Borders.**

Shri ABDUR RASHID MANDAL :

14. Will the Minister of BAD, Assam be pleased to state :

(a) What length of Assam-Bangladesh Border is still lying open

and why ? Please furnish in details the balance work of Assam-Bangladesh Border Fencing with causes of incompletion and the probable period of completion.

(b) What amount of fund for execution of different work along interstate borders of Assam was sanctioned during 2016-17 to 2020-21.

(c) What amount of fund was released by the Finance Department, how much was utilized during the above period ? Please furnish the year-wise and district-wise amount of fund utilized during the period.

(d) Please furnish the list of work with amount sanctioned, amount released and amount utilized during the period, LAC wise in Goalpara district.

*বিষয় ঃ* **রাজ্যের ভাষিক পরিসংখ্যান ও সহযোগী সরকারি ভাষার স্বীকৃতি।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

১৫। মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) জনগণনার সর্বশেষ সরকারি নথি অনুসারে আসামে বসবাসকারী বিভিন্ন ভাষাগোষ্ঠীর শতকরা হিসেবে জনসংখ্যার পরিসংখ্যান সদনে উপস্থাপন করার অনুরোধ জানাই।

(খ) এই পরিসংখ্যান অনুসারে রাজ্যে সর্ববৃহৎ ভাষিক সংখ্যালঘু গোষ্ঠীর কোনটি? এই সর্ববৃহৎ ভাষিক সংখ্যালঘু গোষ্ঠীর আর্থসামাজিক উন্নয়নে সরকার কি কি বিশেষ পরিকল্পনা হাতে নিয়েছে তা বিশদ জানালে উপকৃত হব।

(গ) রাজ্য সরকারের সংশোধিত ভাষা আইনটি সদনে উপস্থাপন করার অনুরোধ জানাই।

(ঘ) এই সংশোধিত ভাষা আইন অনুসারে রাজ্যের সরকারি ভাষা হিসেবে কোন কোন ভাষাকে স্বীকৃতি দেওয়া হয়েছে?

(ঙ) বর্তমান সরকার সম্প্রতি রাজ্যে বড়ো ভাষাকে সহযোগী সরকারি ভাষা হিসেবে স্বীকৃতি দিয়েছে কি? যদি বড়ো ভাষাকে এই স্বীকৃতি দেওয়া হয়ে থাকে তবে কোন নীতি উপৰ ভিত্তি করে রাজ্য সরকার এই সিদ্ধান্ত গ্রহণ করেছে তা সদনে জানালে বাধিত হব।

(চ) রাজ্যে দ্বিতীয় সর্ববৃহৎ ভাষাগোষ্ঠীর ভাষাকে সহযোগী সরকারি ভাষার স্বীকৃতি দেওয়া হয়েছে কি? যদি না দেওয়া হয়ে থাকে তবে দ্বিতীয় সর্ববৃহৎ ভাষাগোষ্ঠীর ভাষাকে স্বীকৃতি না দিয়ে অন্য ভাষাকে সহযোগী সরকারি ভাষা হিসেবে স্বীকৃতি দেওয়ার পেছনে সরকারের কোন নীতি কাজ করছে তার সম্যক ধারণা সদনে উপস্থাপন করার অনুরোধ জানাই।

*Sub.* : **Indiscriminate deletion of names from Voter list.**

Shri SHERMAN ALI AHMED :

16. Will the Minister of Election be pleased to state :

(a) Is it true that the names of a large number of people are deleted from the recently published Voter list although they were voters for the past many years ?

(b) If yes, why ?

(c) What remedial measures the Government would take for removal of such anomalies from the Voter list ? Please furnish details.

*বিষয়* ঃ সীমা বিবাদ

শ্রীদেৱব্ৰত শইকীয়া

১৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১ জানুৱাৰী, ২০২০ তাৰিখৰ পৰা অসমৰ ভূমিত চুবুৰীয়া ৰাজ্যৰ দ্বাৰা আগ্ৰাসনৰ কিমান ঘটনা সংঘটিত হৈছে? জিলা ভিত্তিক তথ্য দিব।

(খ) এনে ধৰণৰ ঘটনাৰ ফলত অসমৰ কোনো বাসিন্দাৰ মৃত্যু হৈছে নেকি?

(গ) কাছাৰ জিলাত আন্তঃৰাজ্যিক সীমান্ত এলেকা ভাইৰাংটেৰ পৰা মিজোৰামৰ আৰক্ষীয়ে যোৱা অক্টোবৰ মাহৰ পৰা অসমৰ ভূমিলৈ প্ৰায় ৩ কিঃ মিঃ আগুৱাই আহি বেৰিকেড স্থাপন কৰিছে। বেদখল হোৱা ভূমি উদ্ধাৰ কৰিবৰ বাবে অসম চৰকাৰে কি ব্যৱস্থা লৈছে?

(ঘ) যোৱা ১ জানুৱাৰী, ২০২০ তাৰিখৰ পৰা ১ ডিচেম্বৰ, ২০২০ তাৰিখৰ ভিতৰত চুবুৰীয়া ৰাজ্যৰ দ্বাৰা অসমৰ ভূমিত আগ্ৰাসন কৰাৰ সন্দৰ্ভত সংশ্লিষ্ট চুবুৰীয়া ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত লিখিতভাৱে যোগাযোগ কৰা হৈছে নে নাই? যদি হৈছে, উক্ত পত্ৰ আদিৰ প্ৰতিলিপি সদনত দাখিল কৰিব।

*Sub.* : **Installation of STW scheme in Baghbar LAC during 2018-19.**

Shri SHERMAN ALI AHMED :

18. Will the Minister of Irrigation be pleased to state :

(a) How many of the STWs are installed in Baghbar LAC so far ? Please furnish location-wise details.

(b) Is it true that the quality of work is very poor (inadequate boring-depth, improper development, poor quality of solar panel etc.) and consequently, discharge of water is almost nil in case of almost all the STWs ? Would the Government be pleased to cause an enquiry ?

(c) What action has been taken on my Memo No. 45/D/13-(i)/2019-20 dated 12/10/2020 addressed to the Commissioner & Secretary to the Government of Assam Irrigation Department ? Please furnish action taken report, if any.

---

Assam Government press 214/20-LAQ-750-17-12-2020